**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 12-08-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

০০০০০০

ৰাজ্যত ৮ খন নতুন সমজিলা সংযোজনৰ আজি আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। কামৰূপ, শোণিতপুৰ, যোৰহাট, তিনিচুকীয়া, কাছাৰ আৰু গোৱালপাৰাত সমজিলা সংযোজন কাৰ্যসূচীত কেইবাগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। কামৰূপ জিলাত আজি দুখন সম জিলা গঠন কৰা হয়।

পলাশবাৰী সমজিলা গঠন অনুষ্ঠানত ৰাজ্য চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ইপিনে, বকো-ছয়গাঁও সমজিলা গঠনৰ কাৰ্যসূচী বকোৰ লোকনিৰ্মাণ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। বৰছলা সমষ্টিৰ ঠেলামাৰাত আজি সমজিলা আয়ুক্তৰ কাৰ্যালয়ত স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে উদ্বোধন কৰে।

কাইলৈ শোণিতপুৰ আৰু তিনিচুকীয়াত সমজিলা সংযোজনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। তিনিচুকীয়াৰ মাকুমত হ'বলগীয়া মাকুম সম জিলাৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ইয়াৰ লগে লগে ৰাজ্যত মুঠ সমজিলাৰ সংখ্যা ৪৯ লৈ বৃদ্ধি পাব। বিগত বৰ্ষৰ অক্টোবৰত প্ৰথম পৰ্যায়ত ৩৯ খন সমজিলা সংযোজন কৰা হৈছিল। প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ হিচাপে গঠন কৰা সমজিলাসমূহে ভূমি, ৰাজহ সম্পৰ্কীয় সেৱা, উন্নয়ন আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণ প্ৰশাসনিক ক্ষমতা, খাদ্য আৰু অসামৰিক যোগান ব্যৱস্থা নিশ্চিত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ সফল ৰূপায়ণ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনসাধাৰণক প্ৰয়োজনীয় সুবিধা লাভ কৰাত সহায় কৰিব।

০০০০০০০

কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত আজি ডিফুৰ সমীপৰ তাৰালাংছ'ৰ ছিংমিৰজেঙৰ পৰা মান্জা হৈ ডিফু কাছা ষ্টেডিয়ামলৈ তিৰংগা অভিযান উলিওৱা হয়। সমাগত স্বাধীনতা দিৱসৰ সমাৰোহৰ অংশ হিচাপে উলিওৱা হৰ ঘৰ তিৰংগা যাত্ৰাৰ এই কাৰ্যসূচী কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে পতাকা জোকাৰি শুভাৰম্ভ কৰে। ডিফু চহৰৰ কুৰিগৰাকী মটৰ চাইকেল আৰোহীয়ে স্বদেশ প্ৰেমৰ বাৰ্তা কঢ়িয়াই মান্জা হৈ ডিফু কাছা ষ্টেডিয়ামত উপস্থিত হয়। এই বিশেষ অনুষ্ঠানত ডিফু সমষ্টিৰ বিধায়ক বিদ্যাছিং ইংলেং, পৰিষদৰ অধ্যক্ষ ৰাজু তিছ', জিলা আয়ুক্ত নিৰলা ফাংছ'পী, আৰক্ষী অধীক্ষক সঞ্জীৱ কুমাৰ শইকীয়া প্ৰমুখ্যে কেইবাগৰাকীও বিষয়া উপস্থিত থাকে। বিশ্বনাথ জিলাতো মটৰ চাইকেলেৰে তিৰংগা যাত্ৰাৰ সমদল উলিওৱা হয়। ৰাজহ চক্ৰ বিষয়া মাধুৰ্য পৰাশৰে এই তিৰংগা যাত্ৰাৰ মটৰ চাইকেল সমদলৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে। ৰাজহ চক্ৰ কাৰ্যালয়ৰ পৰা আৰম্ভ হৈ বিশ্বনাথ নগৰ পৰিভ্ৰমণ কৰি পুনৰ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ অহা এই তিৰংগা যাত্ৰাৰ মটৰ চাইকেল সমদলত শতাধিক লোকে অংশগ্ৰহণ কৰে।

হোজাই জিলাতো সীমান্ত সুৰক্ষা বাহিনীৰ লগতে জিলা জলসিঞ্চন বিভাগ, হোজাই ছোৱালী মহাবিদ্যালয় আৰু হোজাই মহাবিদ্যালয়ৰ উদ্যোগত জিলাখনত তিৰংগা সমদল উলিওৱা হয়।

একেদৰে নগাঁৱতো জিলা প্ৰশাসনৰ উদ্যোগত আজি নেহেৰুবালিৰ পৰা বৰ্ণিল তিৰংগা যাত্ৰা উলিওৱা হয়। আৰক্ষী, অৰ্ধ সামৰিক বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, স্কাউট আৰু গাইডৰ উপৰি কেইবাখনো শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে এই তিৰংগা যাত্ৰাত অংশগ্ৰহণ কৰে।

০০০০০০০

স্বাধীনতা দিৱসৰ বাবে ৰাজ্যজুৰি বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। আলফা স্বাধীনকে ধৰি কেইবাটাও উগ্ৰপন্থী সংগঠনে এইবাৰ স্বাধীনতা দিৱস বৰ্জনৰ আহ্বান জনোৱাৰ পাছত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। স্বাধীনতা দিৱসৰ সময়ছোৱাত যাতে উগ্ৰপন্থী সংগঠনসমূহে কোনো ধৰণৰ কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে উজনি অসমৰ লগতে গুৱাহাটী মহানগৰী আৰু নামনি অসমৰ বিভিন্ন স্থানত আৰক্ষীয়ে কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। আনহাতে যোৱা ২ আগষ্টৰ পৰা কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত বিভিন্ন জিলাত প্ৰশাসনে সমদল আদিৰ আয়োজন কৰিছে। বিভিন্ন জিলাৰ সদৰত আৰক্ষী, চি আৰ পি এফ, এন চি চি আৰু স্কাউট এণ্ড গাইডৰ ছাত্ৰ-ছাত্ৰীসকলে পেৰেডৰ অনুশীলন কৰা পৰিলক্ষিত হৈছে। ইফালে গুৱাহাটীৰ চানমাৰিত অৱস্থিত অসম ৰাজ্যিক খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডে ৫ হাজাৰ জাতীয় পতাকা প্ৰস্তুত কৰাৰ কাম প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। ব'ৰ্ডে ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা ২৫টাকৈ খাদী ভাণ্ডাৰৰ লগতে বিভিন্ন চৰকাৰী বিভাগ, জিলা আয়ুক্তৰ কাৰ্যালয়লৈ পতাকা প্ৰেৰণ কৰিছে।

০০০০

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আজি গোৱা আৰক্ষীৰ নৱ নিযুক্ত ৭০০ গৰাকী কনিষ্টবলৰ দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হৈছে। অনুষ্ঠানত গোৱাৰ মুখ্যমন্ত্ৰী ড° প্ৰমোদ সাৱন্ত মুখ্য অতিথি হিচাপে আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰশিক্ষণ সমাপ্ত কৰা আৰক্ষী জোৱানসকলে পাছিং আউট পেৰেডত অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লাচিত বৰফুকন পুলিচ একাডেমীত গোৱাৰ কনিষ্টবল সকলক প্ৰশিক্ষণ প্ৰদান কৰাটো অসমৰ বাবে আনন্দৰ কথা বুলি মন্তব্য কৰে। তেওঁ কয়, যে গোৱা আৰু অসমৰ মাজৰ দূৰত্ব অধিক হোৱাৰ সত্ত্বেও এই জোৱানসকলক অসমত প্ৰশিক্ষণৰ জৰিয়তে আন্তঃৰাজ্যিক সমন্বয়ৰ উপৰি অসম আৰক্ষীৰ শৃংখলাবদ্ধ আৰু দক্ষ প্ৰশিক্ষণ ক্ষমতা প্ৰতিফলিত হৈছে।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে মহানগৰীখনৰ চাৰিখন গাঁৱত উচ্ছেদ চলোৱাৰ ক্ষেত্ৰত ১৯ আগষ্টলৈকে স্থগিতাদেশ জাৰি কৰিছে। জালুকবাৰী বন সংমণ্ডলৰ অধীনৰ চাৰিখন গাঁও তালাপানী, গাঁওবস্তি, বৰাগাঁও আৰু কটাহবাৰীৰ বাবে এই আদেশ প্ৰযোজ্য হ'ব। উল্লেখযোগ্য যে অঞ্চলটোত বসবাস কৰা লোকসকলে এই উচ্ছেদৰ বিৰোধিতা কৰি উচ্চ ন্যায়ালয়ত চাৰিখন আবেদন দাখিল কৰিছিল। এই আবেদনৰ কালি দ্বিতীয়টো শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে এই আদেশ দিয়ে। ন্যায়ালয়ে লগতে উচ্ছেদ কৰিবলগীয়া ভূমি বনভূমি নে ৰাজহ ভূমি সেই সন্দৰ্ভত চৰকাৰে স্পষ্ট কৰিব পৰা নাই বুলিও উল্লেখ কৰে। এই বিষয়ে ৰাজ্য চৰকাৰে শপতনামাত সম্পূৰ্ণ তথ্য উল্লেখ কৰা নাই বুলিও ন্যায়ালয়ে কয়। অহা ১৯ আগষ্টত এই গোচৰৰ পৰৱৰ্তী শুনানি অনুষ্ঠিত হ'ব।

০০০০০০০

**সমাপ্ত**